# অকঁণিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

## মানুহৰ দুখৰ আ



লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: Byron Unger; Lazarus

গ্ৰহন কৰিছে: M. Maillot; Tammy S.

অনুবাদ কৰিছে: ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

BFC
PO Box 3
Winnipeg, MB R3C 2G1
Canada

©2011 Bible for Children, Inc.

অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে,

কিন্তু হইয়াক বিক্ৰি নকৰিব।

ঈশ্বৰে সকলো নিৰ্ম্মাণ কৰিলে! যেতিয়া ঈশ্বৰে প্ৰথম মানুহ আদমক নিৰ্ম্মাণ কৰিছিল, তেওঁ তেওঁৰ ভাৰ্য্যা হৱাৰ লগত এদন বাৰীত নিবাস কৰিছিল। ঈশ্বৰৰ বাধ্য হৈ তেওঁৰ সান্নিধ্যত তেওঁলোক অতি সুখী আছিল, কিন্তু এদিন ...





সৰ্পহঁতে নাৰীক কলে “বাৰীৰ কোনো গছৰ ফল তোমালোকে নাখাবা বুলি ঈশ্বৰে বাস্তৱিকে কলে নে?” তাহঁতে উত্তৰ দিলে, “এটা ফলৰ বাদে আমি বাৰীৰ সকলোবোৰ ফল খাব পাৰো।” “আমি যদি সেইটো ফল খাওঁ বা স্পৰ্শ কৰো, আমি মৰিম।” ঢেটুঁৱালীৰে সৰ্পহঁতে কলে “দৰাচলতে তোমালোকে নমৰা।”



“তোমালোক ঈশ্বৰৰ
নিচিনা হ’বা।” হৱাৰ
সেইট গছ জোপাৰ
ফলৰ প্ৰয়োজন হ’ল।
তাইট সৰ্পৰ কথা শুনিলে
আৰু সেইট ফল খালে।

ঈশ্বৰৰ অবাধ্য হোৱা পিছত তাইট আদমকো সেইট খাবলৈ দিলে। আদমে কব লাগিছিল, “নাইট নহয়! মইট ঈশ্বৰৰ বাক্যৰ অবাধ্য নহঁও!”





যেতিয়া আদম আৰু হৱাহট পাপ কৰিলে, তেতিয়া তেওঁলোক দুয়ো জানিলে যে তেওঁলোক উলংগ। ডিমৰু পাতেৰে কপিং সিয়াহট তেওঁলোকে নিজকে ঢাকিলে, আৰু ঈশ্বৰৰ উপস্থিতিৰ পৰা সাৰিবলৈ বাৰীৰ জোপোহাৰ মাজত লুকালে গৈ।

দিনৰ জুৰ পৰা সময়ত ঈশ্বৰ বাৰীলৈ আহিল। আদম আৰু হৱাহট কি কৰিলে তাক তেওঁ জানিছিল। আদমে হৱাক দোষ দিলে। হৱাহট সৰ্পক দোষ দিলে. ঈশ্বৰে কলে, “সৰ্পক অভিশাপ দিয়া হ’ল। সন্তান জন্মৰ সময়ত নাৰীৰ প্ৰসৱ বেদনা হ’ব।” “আদম, তুমি পাপ কৰা কাৰণে, কাঁহট্টট আৰু কাঁহট্টটীয়া বনেৰে ভূমি অভিশপ্ত হ’ল। তোমাৰ দৈনিক আহাৰৰ কাৰণে তুমি কষ্ট কৰি ঘাম বোৱাবা।”





সেহট সুন্দৰ বাৰীখনৰ পৰা ঈশ্বৰে আদম আৰু হৱাক বাহিৰ কৰি দিলে। তেওঁলোকে পাপ কৰা কাৰণে, জীৱন দিওঁতা ঈশ্বৰৰ পৰা তেওঁলোকক পৃথক কৰা হৈছিল।







তেওঁলোকক বাহিৰত ৰাখিবৰ কাৰণে ঈশ্বৰে এক
জলন্তময় তৰোৱাল নিৰ্ম্মাণ কৰিলে। আদম আৰু
হৱাৰ কাৰণে ঈশ্বৰে ছালৰ বস্ত্ৰ কৰি দিলে।
ঈশ্বৰে ছালবোৰ কৰ
পৰা পাইছিল?





কালক্ৰম, আদম আৰু হৱাৰ এটিট পৰিয়ালৰ জন্ম হৈছিল তেওঁলোকৰ প্ৰথম সন্তান, কয়িন, খেতিয়ক আছিল। তেওঁলোকৰ দ্বিতীয় সন্তান, হেৱল, মেৰৰখীয়া আছিল। এদিনাখন কয়িনে ঈশ্বৰলৈ উপহাৰ স্বৰূপে কিছুমান শাক-পাচলি আনিছিল। হেৱলেও ঈশ্বৰলৈ উপহাৰ স্বৰূপে তেওঁৰ পহুৰজাকৰ পৰা অতি উত্তম পহুবোৰ আনিছিল।

হেবলৰ উপহাৰত ঈশ্বৰ সন্তুষ্ট হৈছিল।



কয়িনৰ উপহাৰবোৰত ঈশ্বৰ সন্তুষ্ট হোৱা নাছিল। কয়িন বৰ ক্ৰোধিত হৈছিল। কিন্তু ঈশ্বৰে কলে “তুমি ভাল কৰিলে জানো, তোমাক গ্ৰহণ কৰা নহব?”



কয়িনৰ ক্ৰোধ আতঁৰি যোৱা নাছিল। কিছুসময়ৰ
পিছত পথাৰত তেওঁ হেবলক আক্ৰমণ
কৰি - তেওঁক বধ কৰিলে।



ঈশ্বৰে কয়িনক কলে, “তোমাৰ ভায়েৰা হেবল কত আছে?” কয়িনে মিছা মাতিলে, “মহট কিবা মোৰ ভাইটৰ ৰখীয়া নে?” ঈশ্বৰে কয়িনৰ খেতি কৰিব পাৰা গুণ কাঢ়ি লৈ তেওঁক পলৰীয়া আৰু থানথিত নোহোৱা কৰি শাস্তি দিছিল।



কয়িনে প্ৰভুৰ সন্মুখৰ পৰা আঁতৰি ওলাহট গৈছিল। আদম আৰু হৱাৰ এগৰাকী কন্যা সন্তানৰ লগত তেওঁৰ বিবাহ হৈছিল। তেওঁলোকৰ এটিট পৰিয়াল হৈছিল। অতি সোনকালে কয়িনে আবিস্কাৰ কৰা চহৰখন তেওঁৰ নাতি-নাতিনী আৰু আজু নাতি-নাতিনীৰে ভৰি পৰিল।



সময়ত, আদম আৰু হৱাৰ পৰিয়ালো বৃদ্ধি পাবলৈ ধৰিলে।

সেইটো সময়ত, আজিৰ তুলনাত মানুহবিলাক বহু বহু

বছৰলৈ জীয়াই আছিল।



যেতিয়া তাহটৰ পুত্ৰ চেথৰ জন্ম হৈছিল, তেতিয়া হৱাহট কলে, “ঈশ্বৰে হেবলৰ সলনি মোক আৰু এটিট সন্তান দিলে।” চেথ এগৰাকী ঈশ্বৰ ভয়কাৰী লোক আছিল যিজনে ৯১২ বছৰ জীয়াহট আছিল আৰু তেওঁৰ বহুতো সন্তান আছিল।



এটা যুগৰ পৰা আনটো যুগলৈ পৃথিৱীৰ লোকসকল ক্ৰমান্বয়ে দুষ্টতাৰে পৰিপূৰ্ণ হৈ গৈছিল। অৱশেষত পৃথিৱী বিনষ্ট কৰিবলৈ ঈশ্বৰে সিদ্ধান্ত লৈছিল সকলো পশু আৰু চৰাই। মানুহ নিৰ্ম্মাণ কৰা কাৰণে ঈশ্বৰে বেজাৰ পাইছিল। কিন্তু এজন মানুহে ঈশ্বৰক সন্তুষ্ট কৰিছিল ...



এহট মানুহজন নোহ আছিল। চেথৰ বংশধৰ, নোহ ধাৰ্ম্মিক আৰু সিদ্ধ লোক আছিল। তেওঁ ঈশ্বৰৰ লগত চলাচল কৰিছিল। নিজৰ তিনিজন পুত্ৰকো ঈশ্বৰৰ বাধ্য হবলৈ তেওঁ শিক্ষা দিছিল । ঈশ্বৰে নোহক বৰ আচৰিত আৰু বিশেষ ধৰণে ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা লৈছিল!



মানুহৰ দুখৰ আৰ

ঈশ্বৰৰ বাক্য, বাইবেলত,

এইট কাহিনী পোৱা যায়

আদিপুস্তক ৩ - ৬ অধ্যায়।

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”

গীতমালা ১১৯: ১৩০ পদ।

সমাপ্ত

বাইবেলৰ এইট কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাইট আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাইট আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাইট দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাইট ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াইট আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এইট সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱাঃ
প্ৰিয় যীচু, মইট বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মইট নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াইট থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।